সুপ্ৰভাত

আজিৰ দিনটোতে—

৮০৪ত ফ্ৰান্সিছ দ্বিতীয়ৰ অষ্ট্ৰিয়াৰ প্ৰথম সম্ৰাটৰ উপাধি
৮১৩ত কলম্বিয়াত জুয়ান ডেল কৰ্বেলৰ এণ্টিঅকুয়াৰ স্বাধীনতা ঘোষণা
৯৫২ত হুছেইন বিন তালালক জৰ্ডানৰ ৰজা ঘোষণা
২০২৩ত লুনা ২৫ ভষ্ট'চনি কছম'ড্ৰোমৰ পৰা উৎক্ষেপণ
৯৬১ত অভিনেতা সুনীল ছেট্টীৰ জন্ম
৯৫৩ত ডব্লিউ ডব্লিউ ইৰ মল্লযুঁজাৰু হাল্ক হ'গানৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

□ দেওবাৰ □ ২৬ শাওণ ১৯৪৬ শক □ ১১ আগষ্ট ২০২৪ চন □ VOL-14 □ NO-157 □ SUNDAY 11 AUGUST 2024 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

## বিধায়ক প্ৰশান্ত ফুকনৰ গীতে-মাতে মুহিলে শিক্ষাৰ্থীক

# ডি এইচ এছ কানৈ কলেজত নিযুত মইনা আঁচনিৰ শুভাৰম্ভ

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১০ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ছাত্ৰী সবলীকৰণৰ বাবে প্ৰৱৰ্তন কৰা 'মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি'ৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচী বন্তি প্ৰজ্বলনেৰে কালি ডি এইচ এছ কানৈ মহাবিদ্যালয়ত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনে শুভ উদ্বোধন কৰে। অসমৰ জাতীয় সংগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত বিধায়ক ফুকনে কয়— মুখ্যমন্ত্ৰীৰ ছাত্ৰী সবলীকৰণৰ বাবে প্ৰৱৰ্তন কৰা এই অভিলাষী আঁচনিখনে ছাত্ৰীসকলৰ উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বহুখিনি সুবিধা কৰিব। মুখ্য দ্বাৰৰ পৰা বিহু নৃত্য, গায়ন-বায়নেৰে উষ্ম আদৰণি জনাই সভাগৃহলৈ অনা অনুষ্ঠানটিত তেওঁ কয় যে বহু ছাত্ৰীয়ে আৰ্থিক দৈন্যৰ বাবে শিক্ষা গ্ৰহণ কৰিব নোৱাৰি ঘৰতে বহি থাকিব লগা হয়, যাৰ ফলত বাল্য বিবাহৰ দৰে ভয়াৱহ সমস্যাৰ সৃষ্টি হোৱা পৰিলক্ষিত হয় বুলি মন্তব্য কৰি কয় যে এই অভিলাষী আঁচনিখনে এই সমস্যা ৰোধ কৰাত বহুখিনি সফল হ'ব। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অতি পৰিপাতি, শৃংখলাবদ্ধ পৰিৱেশক বিধায়কগৰাকীয়ে ভূয়সী প্ৰশংসা কৰি অধ্যক্ষৰ লগতে অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলক এনে এক পৰিৱেশ সৃষ্টি কৰাৰ বাবে প্ৰশংসা কৰে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী সম্পাদক নয়নজ্যোতি কুৰ্মীয়ে আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই ছাত্ৰীসকল উপকৃত হ'ব পৰাকৈ আৰু বাল্য বিবাহ ৰোধ কৰিব পৰা অভিলাষী আঁচনিখনৰ শুভাৰম্ভ কৰাৰ বাবে চৰকাৰক ধন্যবাদ জনাই কয় যে সময়ক ভাল পোৱা মানুহে জীৱনটোক ভাল পায় আৰু জীৱনটোক ভাল পোৱা মানুহে সময়ক ভাল পায়। সময়ক অতি গুৰুত্ব প্ৰদান কৰি সময়ৰ স'তে আগুৱাই যোৱা অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে যি অভিলাষী আঁচনি গ্ৰহণ কৰিছে, সেই আঁচনিয়ে ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বহুখিনি সহায় কৰিব। উল্লেখ্য যে বিধায়ক প্ৰশান্ত ফুকনে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাত ব্যৱহাৰ হ'ব পৰাকৈ এটা নতুন ইনচিনাৰেটৰ এমাহৰ ভিতৰত মহাবিদ্যালয়খনক প্ৰদান কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। বিধায়কগৰাকীয়ে বিহু গীতকে ধৰি তিনিটাকৈ সুন্দৰ গীত পৰিৱেশন কৰি গীত-মাতেৰে সকলোকে মুগ্ধ কৰে। অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মাকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ লগতে তিনি শতাধিক ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী সম্পাদক নয়নজ্যোতি কুৰ্মীয়ে।

